### ❑ ভাৰতীয় সংবিধানত মহিলাৰ মৰ্যাদা (Women Status under the constitution of India) ঃ

ভাৰতীয় সংবিধানত মহিলা আৰু পুৰুষক সমান মৰ্যাদা প্ৰদান কৰা হৈছে। ভাৰতীয় সংবিধানখন ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা বলৱৎ হয়। সংবিধানত উল্লেখ থকা কিছুমান ব্যৱস্থা মহিলাৰ লগত জড়িত। সংবিধানত মহিলাৰ উন্নতিৰ বাবে কিছুমান বিশেষ ব্যৱস্থা সন্নিৱিষ্ট কৰা হৈছে।

**প্ৰস্তাৱনা (Preamble) ঃ** প্ৰস্তাৱনা যদিও সংবিধানৰ অংশ নহয় তথাপি ই হৈছে সংবিধানখনৰ চাবি-কাঠী। অৱশ্যে কেশৱানন্দ ভাৰতী বনাম কেৰেলা ৰাজ্য গোচৰত, (১৯৭৩) এছ চি চি ২২৫, এ আই আৰ ১৯৭৩ এছ চি ১৪৬১, প্ৰস্তাৱনা সংবিধানৰ অঙ্গ বুলি গৰিষ্ঠ সংখ্যক ন্যায়ধীশে ৰায় দান কৰাৰ পিছৰে পৰা প্ৰস্তাৱনা সংবিধানৰ অপৰিহাৰ্য অংশ হৈ পৰিল। সংবিধান আদৰ্শ, লক্ষ্য, উদ্দেশ্য আৰু দৰ্শনৰ বিষয়ে আমি প্ৰস্তাৱনাৰ দ্বাৰা জানিব পাৰো। ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত "মৰ্যাদা আৰু সুযোগৰ সমতা" (Equality of Status and of opportunity) প্ৰদান কৰা হৈছে। এই আদৰ্শটোৱে পুৰুষ আৰু মহিলাক সুযোগৰ ক্ষেত্ৰত সমান মৰ্যাদা প্ৰদান কৰিছে।

**মৌলিক অধিকাৰ (Fundamental Rights) ঃ** ভাৰতীয় সংবিধানৰ তৃতীয় অধ্যায়ত ১২ নং অনুচ্ছেদৰ পৰা ৩৫ নং অনুচ্ছেদলৈ মৌলিক অধিকাৰসমূহ সন্নিৱিষ্ট কৰা হৈছে। এই অধিকাৰবোৰ পুৰুষ-মহিলা নিৰ্বিশেষে সকলো নাগৰিকে ভোগ কৰিব পাৰে। অৱশ্যে কিছুমান অধিকাৰ অকল মহিলাৰ বাবে প্ৰদান কৰা হৈছে। ১৫ নং অনুচ্ছেদ অনুযায়ী জাতি, ধৰ্ম, বৰ্ণ, বাসস্থান, পুৰুষ-মহিলা আদিৰ ভিত্তিত নাগৰিকৰ প্ৰতি ৰাষ্ট্ৰই বৈষম্যমূলক ব্যৱহাৰ কৰিব নোৱাৰিব। দোকান-বজাৰ, ভোজনালয়, ৰংগমঞ্চ আদিত প্ৰৱেশ কৰা নাইবা সৰ্বসাধাৰণ ৰাইজৰ অৰ্থে ৰাষ্ট্ৰীয় পুঁজিৰে নিৰ্মাণ কৰা ৰাজহুৱা পুখুৰী, কুঁৱা, গা-ধোৱা ঘাট, আলিবাট আদি ব্যৱহাৰৰ পৰা কোনো নাগৰিকক বিৰত ৰাখিব পৰা নাযায়। অনুচ্ছেদ ১৫ (২), অৱশ্যে মহিলা, শিশু, সামাজিকভাবে পিছপৰা জাতি নাইবা অনুসূচিত জাতি আৰু জনজাতিৰ বাবে লোৱা বিশেষ ব্যৱস্থাক সমতাবিৰোধী বুলি গণ্য কৰা নহয়। **(অনুচ্ছেদ ১৫১ দফা ৩ আৰু ৪)** ভাৰতীয় সংবিধানে মহিলাক সকলোবোৰ অধিকাৰেই প্ৰদান কৰিছে যিবোৰ পুৰুষকো দিছে। তলত মৌলিক অধিকাৰকেইটা চমুকৈ আলোচনা কৰা হ'ল—

**১। সমতাৰ অধিকাৰ (Right to Equality) ঃ** (অনুচ্ছেদ ১৪ আৰু ১৫) ইয়াৰ অৰ্থ হৈছে সুযোগৰ সমতা, আইনৰ দৃষ্টিত সমান, আইনৰ দ্বাৰা সমান সুৰক্ষা, কোনো মানুহকে লিংগ, ধৰ্ম, জাতি আৰু জন্মস্থান নিৰ্বিশেষে বৈষম্য কৰিব নোৱাৰিব আৰু কোনো মানুহকে অনুচ্ছেদ ১৬ নং মতে লিংগভিত্তিত চৰকাৰী চাকৰিৰ ক্ষেত্ৰত বৈষম্য কৰিব নোৱাৰিব।

২। **স্বাধীনতাৰ অধিকাৰ** (Right to Freedom) সংবিধানৰ অনুচ্ছেদ ১৯ ৰ পৰা ২২ অনুচ্ছেদলৈ স্বাধীনতাৰ অধিকাৰৰ কথা উল্লেখ কৰা আছে। এই অধিকাৰবোৰৰ ভিতৰত বাক স্বাধীনতা, অপৰাধীয়ে অপৰাধ কৰাৰ পৰা নিৰাপত্তা, জীৱনৰ নিৰাপত্তা আৰু ব্যক্তিগত স্বাধীনতা, গ্ৰেপ্তাৰ (Arrest) আৰু আটক (Detantion) কৰি ৰখা ইতাদি অন্তৰ্ভুক্ত।

৩। **শোষণৰ বিৰুদ্ধে অধিকাৰ** (Right Against Exploitation) ঃ ভাৰতীয় সংবিধানৰ ২৩ নং অনুচ্ছেদৰ দ্বাৰা মানুহক লৈ কোনো অবৈধ ব্যৱসায় কৰিব নোৱাৰিব। ২৪ নং অনুচ্ছেদ অনুসৰি কোনো শিশুক ফেক্টৰী আদিত জোৰকৈ শ্ৰম কৰাব নোৱাৰিব।

৪। **ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ** (Right to Freedom of Religion) ভাৰতীয় সংবিধানৰ ২৫ নং অনুচ্ছেদ ৰ পৰা ২৮ নং অনুচ্ছেদলৈ ধৰ্মীয় স্বাধীনতাৰ অধিকাৰৰ বিষয়ে উল্লেখ কৰা আছে। ধৰ্মীয় স্বাধীনতাৰ অধিকাৰৰ অৰ্থ হৈছে ভাৰতবৰ্ষত সকলো মানুহে যিকোনো ধৰ্ম গ্ৰহণ কৰিব পাৰে, পালন কৰিব পাৰে আৰু প্ৰচাৰ কৰিব পাৰে।

৫। **সাংস্কৃতিক আৰু শিক্ষাৰ অধিকাৰ** (Cultural and Educational Rights) ভাৰতীয় সংবিধানৰ ২৯ নং অনুচ্ছেদ অনুসৰি ভাৰতবৰ্ষৰ ৰাজ্যক্ষেত্ৰৰ ভিতৰত বাস কৰা সকলো নাগৰিকৰ নিজৰ নিজৰ ভাষা, লিপি, সংস্কৃতি ৰক্ষা কৰিব পৰাৰ অধিকাৰৰ বিষয়ে বৰ্ণিত আছে। সংবিধানৰ ৩০ নং অনুচ্ছেদ অনুসৰি ধৰ্মীয় আৰু ভাষিক সংখ্যালঘুসকলে নিজৰ পছন্দ অনুযায়ী শিক্ষানুষ্ঠান স্থাপন আৰু পৰিচালনা কৰাৰ অধিকাৰ প্ৰদান কৰিছে।

৬। **সাংবিধানিক নিৰাময়ৰ অধিকাৰ** (Right Constitutional Remedies) ঃ সাংবিধানিক নিৰাময়ৰ অধিকাৰ অনুচ্ছেদ ৩২ ৰ পৰা ৩৫ লৈ উল্লেখ আছে। কোনো ব্যক্তি নাইবা অনুষ্ঠান-প্ৰতিষ্ঠানে অন্যায়ভাৱে নাগৰিকৰ মৌলিক অধিকাৰসমূহৰ ওপৰত হস্তক্ষেপ কৰিলে সাংবিধানিক নিৰাময়ৰ অধিকাৰৰ দ্বাৰা নাগৰিকে যথোচিত ন্যায় বিচাৰি আদালতৰ ওচৰ চাপিব পাৰে।

খণ্ড ৪৯৭ (IPC) ত উল্লেখ আছে যে এজন মানুহে অন্য মানুহৰ পত্নীৰ লগত যদি পতিৰ অনুমতি অবিহনে সহবাস কৰে এইটো ধৰ্ষণৰ অপৰাধত নপৰে বৰং এইটো পৰস্ত্ৰীগমনৰ অপৰাধ হয়। এই অপৰাধৰ বাবে দোষীয়ে জৰিমনা আৰু ৫ বছৰ পৰ্যন্ত কাৰাবাস খাটিব লাগে বা দুয়োটা হ'ব পাৰে। এই ক্ষেত্ৰত মহিলাগৰাকীয়ে বেয়া কামত সহায় কৰা হিচাপে শাস্তি নাপায়।

খণ্ড ৩৫৪ (IPC) ত উল্লেখ আছে যে যদি কোনো বক্তিয়ে মহিলাক মাৰপিট কৰে বা কৌজদাৰী শক্তি প্ৰয়োগ কৰি সতীত্ব নষ্ট কৰিবলৈ চেষ্টা চলায় তেতিয়া সেই ব্যক্তিজনৰ বিৰুদ্ধে দুবছৰৰ কাৰাদণ্ড বা দুয়োটা হ'ব পাৰে।

খণ্ড ১২৫ ৰ পৰা ১২৮ লৈ (Cr. P. C) ১৯৭৩ ত উল্লেখ আছে যে কোনো মহিলাৰ বিবাহ বিচ্ছেদ হ'লে বা নহ'লেও মহিলাগৰাকীয়ে স্বামীৰ পৰা বা আন আত্মীয়ৰ পৰা খোৰাকী (Maintenance) দাবী কৰিব পাৰে।